অসম

'হিমন্ত বিশ্ব শর্মাৰ নাম শুনিলেই ভৱিষ্যত প্রজন্মই মুখ্যমন্ত্রী বুলি ক'বলৈ লাজ কৰিব' -গৰজি উঠিল আমছু

অসমৰ উচ্ছেদ অভিযানত মুছলমান লোকক বাছি বাছি লক্ষ্য কৰি লোৱা হৈছে বুলি দিল্লীত অভিযোগ উত্থাপন কৰিছে আমছুৱে।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:৫১



Muslims were targeted in Assam eviction (SOCIAL MEDIA)

নতুন দিল্লী, ১৫ নৱেম্বৰ: ৩০০ ঘৰৰ ১৭৩ ঘৰতহে উচ্ছেদ চলাইছে চৰকাৰে।১২৭ খন মানুহ মুছলমান নোহোৱাৰ বাবেই উচ্ছেদ নকৰিলে চৰকাৰে।কেৱল মুছলমানকেই কিয় বাছি বাছি অপবাদ দি উচ্ছেদ কৰিছে অসম চৰকাৰে। অসমৰ উচ্ছেদ অভিযানক লৈ দিল্লীত সৰৱ হৈ পৰিছে সদৌ অসম সংখ্যালঘু ছাত্র সন্থা চমুকৈ আমছু। ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানত মুছলমান লোকক লক্ষ্য কৰি লোৱা হৈছে বুলি অভিযোগ উত্থাপন কৰি সংগঠনটোৱে প্রতিবাদ সাব্যস্ত কৰিছে।

আমছুৰ অভিযোগ, অসমত চৰকাৰে বাছি বাছি মুছলমান লোকৰ বাসগৃহ আৰু ভূমিত উচ্ছেদ অভিযান চলাইছে।

একে স্থানতে বিজেপিৰ কার্যালয় থকাৰ পাছতো চৰকাৰে সেই কার্যালয়ৰ বিৰুদ্ধে কোনো উচ্ছেদমূলক ব্যৱস্থা গ্রহণ কৰা নাই বুলিও সংগঠনটোৱে অভিযোগ কৰে।

সংবিধানে দিয়া মৌলিক অধিকাৰ মানৱ অধিকাৰ খর্ব কৰিছে মুছলমানৰ পৰা। বাছি বাছি কেৱল মুছলমান মানুহক

উচ্ছেদ কৰিছে এইখন বিজেপি চৰকাৰে।উৰিয়াম ঘাটত বিজেপিৰ কার্যালয়ত উচ্চেদ হোৱা নাই ।লুটুমাৰীত ৩০০ ঘৰৰ ১৭৩ ঘৰতহে উচ্ছেদ চলাইছে চৰকাৰে।১২৭ খন মানুহ মুছলমান নোহোৱাৰ বাবেই উচ্ছেদ নকৰিলে চৰকাৰে।কেৱল মুছলমানকেই কিয় বাছি বাছি অপবাদ দি উচ্ছেদ কৰিছে অসম চৰকাৰে।ৰাজধানী দিল্লীত উচ্ছেদক লৈ গৰজি উঠিল আমছু।

উচ্ছেদ অভিযানৰ ক্ষেত্রত চৰকাৰৰ ভূমিকা আৰু নীতিৰ নিৰপেক্ষতাক লৈ প্রশ্ন উত্থাপন কৰিছে আমছুৱে। একে অঞ্চলত থকা বিজেপিৰ কার্যালয়ৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ নকৰাৰ অভিযোগে উচ্ছেদ অভিযানৰ উদ্দেশ্যক লৈ বিতর্কৰ সৃষ্টি কৰিছে। অৱশ্যে কোনটো স্থানত বিজেপিৰ কার্যালয় আৰু উচ্ছেদ অভিযানৰ মাজত এই তুলনা কৰা হৈছে, সেই সন্দর্ভত বিতং তথ্য উপলব্ধ হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3412/amsu-assam-eviction-drive-delhi